**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মজয়ন্তী শ্ৰীলংকাৰ ৰাজধানী কলম্বোতো পালন কৰা হয়। মহাপুৰুষজনাৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি কলম্বোত থকা ভাৰতৰ উচ্চায়ুক্তৰ কাৰ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৰগীত পৰিৱেশন কৰা হয়। স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ অধ্যাপক অংকুৰন দত্তই এই অনুষ্ঠানৰ তদাৰক কৰে। কলম্বোত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী পালন কৰিবলৈ পাই অধ্যাপক অংকুৰন দত্তই নিজকে গৌৰৱান্বিত বুলি কয়। উল্লেখযোগ্য যে কলম্বোত প্ৰথমবাৰৰ বাবে বিদেশী ভাষাত বৰগীত পৰিৱেশ কৰা বুলি শ্ৰী দত্তই প্ৰকাশ কৰে। সিংহলী ভাষালৈ মহাপুৰুষজনাৰ এটা বৰগীত অনুবাদ কৰি পৰিৱেশন কৰে।

ooo

ৰাজ্যৰ ১২৯ খন বিল পুনৰ উদ্ধাৰ আৰু উজ্জীৱিত কৰাৰ বাবে ৭৯৬ কোটি টকা ব্যয় সাপেক্ষ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। এই আঁচনিখনে তিনি হাজাৰ ৮০০ হেক্টৰ ভূমি সামৰি ল'ব। ৰাজ্যৰ বিলসমূহ পুনৰ উজ্জীৱিত কৰি বান সমস্যাৰ মোকাবিলা কৰাৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিখনৰ আন এটা উদ্দেশ্য হৈছে ৰাজ্যৰ মাছৰ উৎপাদন বৃদ্ধি কৰা। এই আঁচনিৰ অধীনত ইতিমধ্যে ১৯০ খন বিল বাচনি কৰা হৈছে যদিও প্ৰথম পৰ্যায়ত ১২৯ খন বিলক আঁচনিখনে সামৰি ল'ব। বিলসমূহত খনন চলাই পানীধাৰণ ক্ষমতা বৃদ্ধি কৰি উজ্জীৱিত কৰাৰ পৰিকল্পনা কৰা হৈছে।

ooo

ৰাজ্য চৰকাৰে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে দেখুওৱা আৰ্হি অনুসৰি ৰাজ্যখনত ১৭ খন একলব্য আদৰ্শ আৱাসিক বিদ্যালয় শীঘ্ৰে নিৰ্মাণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয় যে এই বিদ্যালয় স্থাপনৰ বাবে ৫০ শতাংশতকৈ অধিক অনুসূচীত জনজাতিৰ লোক থকা খণ্ডসমূহ বাচনি কৰা হৈছে। এই বিদ্যালয়সমূহ বাক্সা জিলাৰ দলবাৰী, জালাহ আৰু সৰুপেটা, বৰপেটাৰ খৰাধৰা, কাৰ্বি আংলঙৰ হাওৰাঘাট আৰু চিলনিজান, পশ্চিম কাৰ্বি আংলঙৰ দংকা, গোৱালপাৰাৰ দুধনৈ, কামৰূপৰ বকো, ওদালগুৰিৰ খৈৰাবাৰী, কোকৰাঝাৰৰ বেদলাংমাৰি, ডিমা হাচাওৰ আৰদাওপুৰ, মাহুৰ আৰু হাৰাঙ্গাজাওত স্থাপন কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে।

ooo

মৰিগাঁও জিলাৰ জৈৱ বৈচিত্ৰ ক্ষেত্ৰ পবিতৰা অভয়াৰণ্য আজিৰে পৰা পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অভয়াৰণ্যখন আনুষ্ঠানিকভাৱে মুকলি কৰে। পৃথিৱীৰ ভিতৰতে আটাইতকৈ কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখন চাবলৈ ইতিমধ্যে দেশী-বিদেশী পৰ্যটক উপস্থিত হৈছে।

০০০

আজিৰে পৰা ৩৬ সংখ্যক মৰিগাঁও জিলা দিৱস দুদিনীয়া কাৰ্যসূচী মৰিগাঁও জিলা সদৰত আৰম্ভ হৈছে। মৰিগাঁও জিলা আয়ুক্ত আৰু জিলাখনৰ বিশিষ্ট ব্যক্তিসকলে পুৰা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই বিধায়ক ৰমাকান্ত দেউৰী আৰু মৰিগাঁও জিলা আয়ুক্তই বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে।

০০০

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ বাবে pminternship.mca.gov.in প'ৰ্টেল যোগে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২৫ অক্টোবৰত এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ১৯৩টা কোম্পানীয়ে বৰ্তমানলৈকে প'ৰ্টেলটোৰ জৰিয়তে প্ৰায় ৯১ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ আগবঢ়াইছে। চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত ১ লাখ ২৫ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০

হকী ইণ্ডিয়া ছিনিয়ৰ মহিলা আন্তঃবিভাগীয় ৰাষ্ট্ৰীয় হকী প্ৰতিযোগিতা নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ ষ্টেডিয়ামত আজি আৰম্ভ হ'ব। ২১ অক্টোবৰলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত মুঠ ১২টা দলে অংশগ্ৰহণ কৰিব। দলকেইটাক চাৰিটা গোটত বিভক্ত কৰা হৈছে। লীগ পৰ্যায়ত প্ৰতিটো দলে নিজ গোটৰ সকলো দলৰ সৈতে অৱতীৰ্ণ হ'ব।

০০০

মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ শ্বাৰজাহত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ৯ ৰানত পৰাজিত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। গ্ৰুপ পৰ্যায়ত কালি একেৰাহে চতুৰ্থখন খেলত জয়ী হৈ অষ্ট্ৰেলিয়াই এই প্ৰতিযোগিতাৰ আটাইকেইখন খেলতে জয়লাভ কৰাৰ অভিলেখ অক্ষুন্ন ৰাখে। আনহাতে, গ্ৰুপ এ-ৰ নিউজিলেণ্ড আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'বলগীয়া খেলখনৰ ফলাফলৰ ওপৰতেই ভাৰতে ছেমি ফাইনেল খেলাৰ সুযোগ নিৰ্ভৰ কৰিব। খেলখনত পাকিস্তান জয়ী হ'লে ভাৰত গ্ৰুপ-এৰ পৰা ছেমি ফাইনেলত প্ৰৱেশ কৰা দ্বিতীয়টো দল হ'ব। কালিৰ খেলখনত ১৫২ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত মাত্ৰ ১৪২ ৰানহে কৰিবলৈ সমৰ্থ হয়। অধিনায়ক হৰমনপ্ৰীত কৌৰে ৫৪ ৰান কৰি অপৰাজিত হৈ থকাৰ বিপৰীতে দিপ্তী শৰ্মাই ২৯ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ এনাবেল চুমাৰলেণ্ড আৰু চোফি মলিনিউক্সে দুটাকৈ উইকেট লাভ কৰাৰ লগতে মেগান স্কট আৰু এশ্বলী গাৰ্ডনাৰে এটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি সন্ধিয়া ডুবাইত হ'বলগীয়া এখন খেলত পাকিস্তান নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০

সমাপ্ত